# আধুনিক কবিতাৰ সংজ্ঞা আৰু বৈশিষ্ট্য

কবিতাৰ পৰিধি ইমান বিস্তৃত আৰু ইয়াৰ প্ৰকৃতি ইমান বিচিত্ৰ যে একোটা সংজ্ঞাৰ মাজত ইয়াৰ সকলোবোৰ বৈশিষ্ট্য সামৰি লোৱাটো সম্ভৱ নহয়। সেইবাবেই চেইন্ট আগষ্টানে কবিতাৰ সংজ্ঞা দিবলৈ গৈ উল্লেখ কৰিছে এনেদৰে ঃ 'If not asked, I know, if you ask me, I know not' অৰ্থাৎ, যাৰ বিষয়ে নুসুধিলে বহুত কিবাকিবি ক'ব পাৰি, অথচ সুধিলে একো ক'ব নোৱাৰি সেয়ে কবিতা। বিভিন্ন কবি আৰু কবিতাৰ সমালোকসকলে কবিতাৰ বিষয়ে বিভিন্ন দৃষ্টিভঙ্গীৰ পৰা ভালেমান সংজ্ঞা আগবঢ়াইছে। এই সকলোবোৰ সংজ্ঞাই কম-বেছি পৰিমাণে কুঁৱলীৰ মায়াজালত আৱদ্ধ। গতিকে কবিতা সম্পৰ্কে এটা সৰ্বজনগ্ৰাহ্য সংজ্ঞা নিৰ্দ্ধাৰণ কৰাটো বৰ্তমানলৈ সম্ভৱ হৈ উঠা নাই।

ইংৰাজী ভাষাৰ অভিধান প্ৰণেতা ড° জনচনৰ মতে কবিতা হৈছে 'ছন্দোবদ্ধ ৰচনা' (Poetry is metrical composition)। তেওঁ আৰু এখোজ আগুৱাই গৈ মন্তব্য কৰিছে যে 'কবিতা হ'ল কল্পনাক যুক্তি আৰু বুদ্ধিৰে উজ্জীৱিত কৰি সত্যৰ সৈতে আনন্দৰ সমন্বয় সাধন কৰি ৰচনা কৰা এবিধ কলা।' (It is the art of writing pleasure with truth by calling imagination to the help of reason.)। ৱৰ্ডছৱৰ্থে কবিতাৰ সংজ্ঞা নিৰূপণ কৰিবলৈ গৈ কবিতাৰ সৃষ্টি-প্ৰক্ৰিয়া সম্পৰ্কে দুটিমান অতি গুৰুত্বপূৰ্ণ কথা উপস্থাপন কৰিছে। তেওঁৰ মতে 'নিৰলাত সোঁৱৰা হিয়াৰ আবেগেই কবিতা।' (Poetry is emotion recollected in tranguility)। তাৰ পিছতেই তেওঁ পুনৰ কৈছে 'উপচি উঠি আপোনা-আপুনি পাৰ বাগৰি যোৱা আবেগৰ ঢলেই কবিতা।' (Poetry is spontaneosus overflow of powerful feelings.) মেথিউ আৰ্নল্ডে আকৌ কবিতাক 'জীৱনৰ সমালোচনা' (criticism of life) আখ্যা দিছে। তেওঁৰ মতে কাব্যিক

সত্য আৰুকাব্যিক সৌন্দৰ্যৰ দ্বাৰা নিৰূপিত বিধি-বিধান মানি প্ৰকাশ কৰা জীৱনবীক্ষাহে কবিতাৰ উপকৰণ। কবিতাৰ ৰূপবস্তু সম্পৰ্কে আভাস দি আন এগৰাকী কবি ক'লৰিজে কবিতাৰ সংজ্ঞা দিছে এনেদৰে— 'উৎকৃষ্টতম শব্দপুঞ্জৰ উৎকৃষ্টতম বিন্যাসেই কবিতা।' (Poetry is the best words in the best order.)। ইয়াত কালৰিজে উপযুক্ত ভাব-কল্পনা আৰু অৰ্থ-ব্যঞ্জনাৰ বাহক শব্দকেই উপযুক্ত শব্দ আখ্যা দিছে। উপযুক্ত শব্দ সুবিন্যাস্ত হ'লেই কবি মনৰ ভাব-কল্পনাই যেতিয়া অনভূতিৰঞ্জিত হৈ তাত চিত্ৰ আৰু ধ্বনি প্ৰবাহৰ সৃষ্টি কৰে, তেতিয়াই কবিতাৰ সৃষ্টি হয়।

কবিতা ভাষাৰ সহায়েৰে প্ৰবল কল্পনা নাইবা অনুভূতি প্ৰকাশ কৰা এটি কৌশল, কল্পনাৰ মূৰ্ত্ত আকৃতি। কবিতাৰ ভাব গভীৰ, ভাষা লয়যুক্ত, য'ত কবিৰ অভিজ্ঞতা চিত্ৰিত হয়। কাৰ্লাইলে কবিতাক 'সাঙ্গীতিক চিন্তা' (poety is musical thought) আখ্যা দিছে। আন এগৰাকী কবি অডেনৰ মতে 'কবিতা হ'ল, স্মৰণীয় বাক্য' (Poetry is memorable speech)। থিয়োডৰ ৱাট্‌ছ ডান্টনে কিছু বিস্তৃত ৰূপত কবিতাৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে; 'কবিতা হ'ল, আবেগময় আৰু ছন্দস্পন্দিত ভাষাৰ মাধ্যমত মানৱীয় মনৰ মূৰ্ত্তিমান আৰু শিল্পীত অভিব্যক্তি।' (Poetry is the concrete and artistic expression of the human mind in emotional and rhyehmical language)। ডান্টনৰ সংজ্ঞাটোৱে কবিতাৰ ভাববস্তু, ৰূপবস্তু আৰু ৰসবস্তু তিনিওটা দিশকেই সামৰি লৈছে।

গতিকে দেখা যায় যে ওপৰৰ সংজ্ঞাবোৰৰ পৰা কবিতা সম্পৰ্কে এটি সম্যক ধাৰণা কৰিব পাৰি। কবিতা দৰাচলতে এটা অনুভৱৰ বিষয়। কল্পনা, আৱেগ, অনুভূতি এইবোৰ হৈছে কবিতাৰ বাবে প্ৰয়োজনীয় উপাদান। অৱশ্যে বহুত গদ্যতো কবিতাৰ গুণ নিহিত থাকে যদিও কবিতা আৰু গদ্যৰ মাজত পাৰ্থক্য বিদ্যমান। 'An Introduction to the study of Literature' গ্ৰন্থত ডব্লিউ. এইচ. হাডচনে উল্লেখ কৰিছে যে — 'Poetry is a particular kind of art; that it arises only when the poetic quality of imagination and feeling are embodied in a certain from the expression.'

অৰ্থাৎ, কবিতা হ'ল এবিধ বিশেষ ধৰণৰ কলা। যেতিয়া কল্পনা আৰু অনুভূতিৰ কাব্যিক ক্ৰিয়া এক বিশিষ্ট প্ৰকাশভঙ্গীযুক্ত হৈ পৰে, তেতিয়া কবিতাৰ উৎপত্তি হয়।

কিছুমান কবিতাৰ অন্তৰালত কবিৰ অনন্যসাধাৰণ শব্দসাধন আৰু কল্পনা প্ৰতিভাৰ অনন্য অভিব্যক্তি লক্ষ্য কৰা যায়। সেইবাবেই কবিতা অন্যান্য সাহিত্যকৃতিৰ পৰা পৃথক।

কবিতাত ছন্দ অপৰিহাৰ্য্য নহয়, ই কবিতাৰ আভৰণ মাত্ৰ। বেকনৰ মতে কবিতা

গদ্য-পদ্য উভয়তে ৰচিত হ'ব পাৰে। ক'লেৰিজৰ মতেও উক্ত ধৰণৰ কবিতা ছন্দবিহীন ভাবেও ৰচিত হ'ব পাৰে।

কবিয়ে নিজৰ চৌপাশৰ জগতখনৰ পৰাই কবিতাৰ বাবে উপযুক্ত বিষয় বা ভাবৰ নিৰ্বাচন কৰে। কাব্যিক জগতখনৰ যিকোনো বস্তুৱেই কবিৰ অন্তৰত ৰেখাপাত কৰিব পাৰে। কবিতাৰ অন্তৰালত সুকীয়া মাধুৰ্য লুকাই থাকে আৰু এই মাধুৰ্যই আমাৰ মনত অবিস্মৰণীয় আনন্দৰ সৃষ্টি কৰে। সকলো সময়তে সকলো দেশতে কবিতাৰ মাজত কিছুমান সনাতন সত্য সন্নিবিষ্ট হৈ থাকে, যিবোৰে মানুহৰ জীৱনত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম। এনে কাৰণতেই মেথিউ আৰ্নল্ড কবিতাক 'জীৱনৰ সমালোচনা' (a criticism of life) বুলি উল্লেখ কৰিছে। কবিতা দৰাচলতে 'চিৰন্তন সত্যৰ মাজেদি প্ৰকাশ কৰা জীৱনৰ প্ৰতিবিম্ব।' কবিতাই মানুহৰ অন্তৰত পৱিত্ৰ ভাবৰ থাপনা পাতি মানৱৰ মহত্ত্ব প্ৰকাশ কৰে, মানৱৰ জেউতি বঢ়ায়।

সংসাৰত জীয়াই থাকিবৰ কাৰণে পাৰ্থিৱ ধন-সম্পদৰ যেনেদৰে প্ৰয়োজন আছে, ঠিক তেনেদৰে শৰীৰৰ পুষ্টিৰ বাবে খাদ্য আৰু মনৰ পুষ্টি সাধনৰ কাৰণে সাহিত্যৰো প্ৰয়োজন অনস্বীকাৰ্য—

> Thus it is practical matter that we should eat and have exercise so that our physical potentalities may be realised so it is an equally practical matter that me should think, read and enjoy works of art in order that our mental potentalities should be realised.
>
> (Literature and Society : David Daiches)

মানৱ জাতিয়ে উন্নতিৰ জখলাত বগাবলৈ হ'লে শৰীৰৰ লগে লগে মনৰো উৎকৰ্ষ সাধিত হোৱাটো একান্ত বাঞ্ছনীয়। সৎ ভাৱনা আৰু আদৰ্শই মানুহৰ আত্মাক ক্ৰিয়াশীল কৰি ৰাখে আৰু উন্নতিৰ পথত অগ্ৰসৰ হোৱাত সহায় কৰে।

কবিতাই মানুহক সুন্দৰৰ সন্ধান দিয়ে, সত্যৰ উপলব্ধি হোৱাত প্ৰেৰণা যোগায়। সুন্দৰৰ সন্ধানত ৰত হোৱাৰ কাৰণেই সাংসাৰিক ঘাত-প্ৰতিঘাতৰ চাকনৈয়াই সৃষ্টিশীল মানৱ মনক সহজে ব্যথিত কৰিব নোৱাৰে। আধ্যাত্মিক ক্ষেত্ৰত যি সুন্দৰ কলা-সাহিত্যৰ ক্ষেত্ৰত সেয়ে সত্য আৰু মঙ্গল। সেইবাবেই এগৰাকী ৰোমাণ্টিক কবিয়ে উল্লেখ কৰিছিল—

> 'সত্য যি, সুন্দৰ যাৰ অনন্ত যৌৱন
> তাৰেই বুকুত মই পাতিম কানন।'

সত্যৰ আৰাধনাই সুন্দৰৰ আৰাধনা আৰু এই মতটোৱেই কলাকৃতিৰ সমাদৰ বৃদ্ধি কৰাৰ লগে লগে আধ্যাত্মিক আদৰ্শৰ সম্প্ৰসাৰণতো অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দেখা যায়। 'কলা মানৱীয় কাৰ্য বিশেষ। ইয়াত বাহ্যিক চিহ্নাদিৰ দ্বাৰা মানুহে নিজৰ অন্তৰত জাগি উঠা অনুভূতি আনৰ অন্তৰত জগাই তোলে আৰু আনেও তাৰ অভিজ্ঞতা লাভ কৰে ঃ

> Art is a human activity consisting in that one man consciously by means of certain external sings hands on to others feelings he has lived through and that others are infected by these feelings.
>
> (What is Art : Tolostoi)

কবিয়ে কবিতাৰ মাধ্যমেদি নিজৰ অন্তৰত ভাবাবেগ প্ৰকাশ কৰি আনৰ অন্তৰত তাৰ প্ৰভাৱ পেলাবলৈ প্ৰয়াস কৰে। কবিয়ে সত্য আৰু সুন্দৰৰ সৃষ্টি কৰিবলৈ যাওঁতে সমাজৰ আদৰ্শ আৰু ৰুচি-অভিৰুচিৰ দিশটোৰ প্ৰতি সতৰ্ক হ'বলগীয়া হয়। গতিকে পাৰিপাৰ্শ্বিক পৰিবেশ আৰু তাৰ প্ৰভাৱে পৰোক্ষভাৱে হ'লেও কবিৰ সৃষ্টিশীল মনীষাত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়।

কবিতা হৈছে ভাষাৰ মাধ্যমেৰে প্ৰবল কল্পনা আৰু অনভূতি প্ৰকাশৰ এটা অন্যতম শৈল্পিক কৌশল। সকলোধৰণৰ কবিতাৰ মাজেদিয়ে কবিৰ অন্তৰাত্মাৰ আদৰ্শ প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে প্ৰকাশিত হৈ পৰিছে। কবিৰ এই কল্পনাৰ ভিত্তি হৈছে বাস্তৱ; অৱশ্যে এই বাস্তৱবাদ আদৰ্শবাদৰ প্ৰভাৱেৰে অনুৰঞ্জিত। কবিয়ে বাস্তৱ জীৱনৰ পৰা উপাদান সংগ্ৰহ কৰি কাব্যিক কল্পনাৰ সংযোগেৰে তাক নতুনকৈ নিৰ্মাণ কৰি উলিয়ায়।

দৰাচলতে যি কলাই হৃদয়ৰ পৰাঅহা অদম্য তাড়নাক গভীৰভাৱে উপলব্ধি কৰি সেই উপলব্ধিৰ যন্ত্ৰণাৰ পৰা নিজকে মুক্ত কৰিবলৈ সক্ষম হয় আৰু পাঠকৰো হৃদয় চুই যাবলৈ সমৰ্থ হয় তেনে কলাই শ্ৰেষ্ঠ কলা ৰূপে অভিহিত হয়। দহজনৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰা কোনো শিল্প বা সাহিত্যই দীৰ্ঘস্থায়ী নহয়। কবিতাৰ প্ৰতি থকা গভীৰ ভালপোৱাই এজন পাঠকক কবিতাৰ প্ৰতি আকৰ্ষিত কৰে। কবিৰ ক্ষেত্ৰত হৃদয়ৰ গভীৰৰ পৰা উপলব্ধি হোৱা সু-তীব্ৰ বাসনাক কলাত্মক কল্পনাৰ মাধ্যমেদি হৃদয়গ্ৰাহী ৰূপত সজাই তোলাটো যথেষ্ট কঠিন। ৱৰ্ডছৱৰ্থে কবিতাক স্বতঃস্ফূৰ্ত্ত আবেগ-অনুভূতিৰ শক্তিশালী প্ৰকাশ বুলি অভিহিত কৰিলেও দৰাচলতে কবিতাৰ অন্তৰ্নিহিত আবেগ-অনুভূতি সিমান স্বতঃস্ফূৰ্ত্ত নহয়। কবিতাৰ ভাবনাই 'হেমন্তৰ হিমেকো লাজুকী ওৰণি' লৈ ন-কইনাৰ দৰে এখুজি-দুখুজিকৈহে ইতস্ততঃ খোজেৰে অগ্ৰসৰ হয় আৰু আপুনি লাজুকী ওৰণি দাঙি মুখামুখি চাওঁ বুলি ভবাৰ আগতেই অদৃশ্য হৈ যায়। গতিকে কবিতাৰ কল্পনা কুঁৱৰীয়ে

কবিক বিবুধিত পেলোৱাৰ আগতেই কবিয়ে নিজকে প্ৰস্তুত কৰি তুলিবলগীয়া হয়।

দৰাচলতে লিখোঁ বুলি কবিতা লিখিব নোৱাৰি। তাৰ বাবে কবিয়ে শাৰীৰিক আৰু মানসিকভাৱে নিজকে প্ৰস্তুত কৰিবলগীয়া হয়। অৰ্থাৎ অনুশীলন আৰু কবিতাৰ ব্যাপক অধ্যয়নৰ যোগেদি কবিমানসক প্ৰস্তুত কৰি তুলিলে কবিতা আপোনা আপুনি অনুভূতিগোচৰ হয়। এগৰাকী বাঁহীবাদ বাঁহীলৈ কৰা অনুশীলনে যেনেদৰে তেওঁক অনবদ্য সুৰৰ সৃষ্টি কৰাত পাৰদৰ্শী কৰি তোলে, তেনেদৰে কবিতাৰ ব্যাপক অনুশীলনেও কবিৰ মানসিক সত্ত্বা সক্ৰিয় কৰি তোলে আৰু তেনে অৱস্থাত যিকোনো অনভূতিয়েই কাব্যিক সম্পদেৰে ভাষাৰ মাধ্যমত প্ৰকাশ কৰিবলৈ সক্ষম কৰি তোলে।

সকলো প্ৰকাৰৰ সৃষ্টিশীল সাহিত্যৰ ভিতৰত কবিতা অতি স্পৰ্শকাতৰ, সূক্ষ্ম আৰু সুকোমল অনুভূতিৰে সিক্ত। শব্দৰ অনন্য সাধনাই কবি হৃদয়ৰ পঞ্জীভূত কল্পনাশক্তিক চিন্তা আৰু অভিজ্ঞতাৰ সমন্বয়ত ৰসসমৃদ্ধ কৰি তোলে বাবেই ই পাঠকৰ হৃদয়ত আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম। সেইবাবেই আৰ্চিবল্ড মেক্লিছে উল্লেখ কৰিছে যে 'কবিতাই বুজাব নালাগে, সি হ'বহে লাগে। (Poetry should not mean, but be.)